NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। নিৰ্বাচন আয়োগে আজি কম ভোটদান হোৱা ১১ খন ৰাজ্যৰ পৌৰ আয়ুক্ত আৰু বচা বচা জিলা নিৰ্বাচনী বিষয়াৰ সন্মিলন আয়োজন কৰিছে।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তৃণমূল কংগ্ৰেছ দলে নাগৰিকত্ব সংশোধনী আইনক লৈ জনসাধাৰণক বিপথে পৰিচালিত কৰিছে।

৩। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে।

৪। অসমত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মুঠ ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ***আৰু***

৫। পাঞ্জাব কিংছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে।

ooooo

নিৰ্বাচন আয়োগে আজি কম ভোটদান হোৱা ১১ খন ৰাজ্যৰ পৌৰ আয়ুক্ত আৰু বচা বচা জিলা নিৰ্বাচনী বিষয়াৰ সন্মিলন আয়োজন কৰিছে। নতুন দিল্লীত হ'বলগীয়া এই বৈঠকত আসন্ন লোকসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰা হ'ব। বৈঠকত নগৰ আৰু চহৰৰ একাংশ এলেকাত কম ভোটদানৰ সমস্যা দূৰ কৰাৰ বাবে বিশেষ কাৰ্য পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে বৈঠকত দিল্লী, মুম্বাই, চেন্নাই, বেংগালুৰু, হায়দৰাবাদ, আহমেদাবাদ, পুণে,থানে, নাগপুৰ, পাটনা চাহিব, লক্ষ্ণৌ আৰু কানপুৰৰ পৌৰ আয়ুক্তসকলৰ লগতে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ বচা বচা জিলা নিৰ্বাচনী বিষয়াসকলে ভাগ ল'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ, নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুই বৈঠকত অধ্যক্ষতা কৰিব। শ্ৰীকুমাৰে সময়ে সময়ে ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিম্ন অংশগ্ৰহণৰ কাৰণ হিচাপে নগৰীয়া উদাসীনতা আৰু গ্ৰাম্য এলেকাৰ পৰা প্ৰব্ৰজনৰ প্ৰত্যাহ্বান সম্পৰ্কে আলোকপাত কৰি আহিছে।

ooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তৃণমূল কংগ্ৰেছ দলে নাগৰিকত্ব সংশোধনী আইনক লৈ জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। তেওঁ লগতে সন্দেশখালীৰ অপৰাধীসকল জীৱনৰ বাকী কাল কাৰাগাৰত অতিবাহিত কৰিব লাগিব বুলি মন্তব্য কৰিছে। কোচবিহাৰৰ ৰাসলীলা ময়দানত কালি এখন জনসভাত ভাষণ দি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, একমাত্ৰ বিজেপিহে মহিলাৰ বিৰুদ্ধে সংঘটিত আতিশায্য বন্ধ কৰিব পাৰে। শ্ৰীমোদীয়ে কয় যে, বৰ্তমানৰ পশ্চিম বংগ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণত বাধাৰ সৃষ্টি কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে অভিলেখ পৰিমাণৰ পুঁজি যোগান ধৰা সত্বেও কেইবাটাও প্ৰকল্পৰ কাম সময়মতে সম্পূৰ্ণ হোৱা নাই বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কংগ্ৰেছ দলক সমালোচনা কৰি তেওঁ কয় যে, দলটোৱে দশক দশক ধৰি গৰিবী হটাওৰ শ্ল'গান দি আহিছে যদিও বিজেপিহে দেশৰ ২৫ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিছে। দলৰ নিষ্ঠা আৰু সু-অভিপ্ৰায়ৰ বাবে এই ২৫ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাটো সম্ভৱ হৈ উঠিছে। শ্ৰীমোদীয়ে কালি কোচবিহাৰ আৰু আলিপুৰদুৱাৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থী নিশিথ প্ৰামাণিক আৰু মনোজ তিগ্গাৰ হকে প্ৰচাৰ চলায়।

তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীয়েও কালি কোচবিহাৰৰ মাথাভাংগাৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীমতী বেনাৰ্জীয়ে কয় , তেওঁ নাগৰিকত্ব সংশোধনী আইন ৰূপায়ণ নকৰে। তৃণমূল কংগ্ৰেছৰ নেত্ৰীগৰাকীয়ে জলপাইগুৰিৰ মাল বজাৰৰ এখন সভাতো ভাগ লয়।

প্ৰধানমন্ত্ৰী মোদী দাৰ্জিলিং আৰু জলপাইগুৰিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাথীৰ্ৰ হকে প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে পৰহিলৈ পুনৰ পশ্চিম বংগলৈ আহিব।

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে। এই পৰ্যায়ত আউটাৰ মণিপুৰৰ কিছু অংশৰ লগতে ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সমষ্টিৰ কিছু অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টি কেইটাৰ ভিতৰত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে। এই পৰ্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সাঙুৰি লোৱা জম্মু-কাশ্মীৰৰ সমষ্টিটোৰ বাহিৰে বাকী সমষ্টি কেইটাৰ বাবে আজি মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত কাইলৈ মনোনয়ন পৰীক্ষা কৰা হ'ব।

অসমত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মুঠ ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যৰ পৰিবহণ আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিজেপি সাংসদ কৃপানাথ মল্লা, দিলীপ শইকীয়া, কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো আছে।  এ আই ইউ ডি এফ আৰু তৃণমূল কংগ্ৰেছেও তৃতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থী থিয় কৰাইছে।

০০০০০

গুজৰাটৰ আসন্ন লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৩ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। দলে বদোদৰা  সমষ্টিৰ পৰা যশপাল সিং পাধিয়াৰক প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ লগতে জুনাগড় আসনখনৰ বাবে হীৰাভাই জোট্ৰা আৰু সুৰেন্দ্ৰনগৰ আসনখনৰ বাবে ৰুত্বিকভাই মকৱানাক প্ৰাৰ্থী হিচাপে থিয় কৰোৱাইছে।০

০০০০০

নতুন দিল্লীৰ ৰং ভৱনত কালি আসন্ন লোকসভা নিৰ্বাচনৰ বাবে  স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় দলসমূহৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনযোগে  প্ৰচাৰৰ সময় নিৰ্ধাৰণ কৰা হয়। সেই অনুসৰি প্ৰতিটো ৰাষ্ট্ৰীয় দলক আকাশবাণী আৰু দূৰদৰ্শনৰ বাবে ৪৫ মিনিটকৈ সময় প্ৰদান কৰা হৈছে। ইয়াৰ লগতে ৬টা ৰাষ্ট্ৰীয় দলৰ বাবে প্ৰচাৰ তথা সম্প্ৰচাৰৰ বাবে অতিৰিক্ত চাৰে ৫ ঘণ্টা নিৰ্ধাৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় দলসমূহক অহা ১৬ আৰু ২৩ এপ্ৰিলৰ লগতে ৩,১০,১৭,২২ আৰু ২৯ মে'ত প্ৰচাৰ আৰু সম্প্ৰচাৰৰ সময় প্ৰদান কৰা হৈছে।

০০০০০

বিশাখাপট্টনমৰ নৌবিজ্ঞান আৰু আৰু প্ৰযুক্তি পৰীক্ষাগাৰত কালি দশম ডি আৰ ডি অ' যুৱ বিজ্ঞানী সমাৰোহ অনুষ্ঠিত হয়। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা-ডি আৰ ডি অ'ৰ অধ্যক্ষ তথা ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা আৰু গৱেষণা বিভাগৰ সচিব ড০ সমীৰ ভি কামাটে তিনিদিনীয়া এই সমাৰোহ উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী কামাটে ডি আৰ ডি অ'ক উন্নত শিখৰলৈ লৈ যোৱাৰ বাবে পৰিৱৰ্তিত গোলকীয় শৃংখলা আৰু প্ৰযুক্তি গ্ৰহণ কৰিবলৈ যুৱ বিজ্ঞানীসকলৰ প্ৰতি আহ্বান জনায়। ডি আৰ ডি অ' যুৱ বিজ্ঞানী সমাৰোহে প্ৰতিৰক্ষা বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে জড়িত সাম্প্ৰতিক তথা ভৱিষ্যতৰ বিষয়সমূহ সন্দৰ্ভত অভিজ্ঞতাৰ আদান-প্ৰদানৰ লগতে আলোচনাৰ এখন মঞ্চ প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি ডি আৰ ডি অ'ৰ সঞ্চালকপ্ৰধান ড০ ৰাই শ্ৰীনিবাস ৰাৱে কয় যে ৰাষ্ট্ৰৰ বিকাশত যুৱ বিজ্ঞানীসকলে মুল ভূমিকা পালন কৰিব লাগে। আনহাতে নৌবিজ্ঞান আৰু প্ৰযুক্তি

পৰীক্ষাগাৰ-এন এছ টি এলৰ সঞ্চালক ড০ আব্ৰাহম ভাৰুগেছে কয় যে, যুৱ বিজ্ঞানীসকলে সুযোগসমূহৰ উপযুক্ত ব্যৱহাৰেৰে আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ হকে কাম কৰি যোৱা উচিত।

০০০০০

কাজাখস্তান ইণ্টাৰনেচনেল চেলেঞ্জত ভাৰতৰ বেডমিণ্টন খেলুৱৈ অনমোল খাৰ্বে মহিলা ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে ইউ এ ইৰ নুৰাণী ৰাট্টু আজাহ্ৰাক ২১-১১,২১-৭ পোনপটীয়া গেমত পৰাস্ত কৰে। অনমোলৰ লগতে দেৱীকা সিহাগ, পূৰ্বৰ ৰাষ্ট্ৰীয় চেম্পিয়ন অনুপমা উপাধ্যায়, সপ্তম বাছনিৰ তন্যা হেমন্ত আৰু ঈশাৰাণী বৰুৱায়ো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ মিক্সড ডাবলছ শাখাত ৰোহন কাপুৰ  আৰু ৰুথভিজা শিৱানী, অভিউদয় চৌধাৰী আৰু বৈষ্ণৱী খাদকেকাৰ, সঞ্জয় শ্ৰীবাস্তৱ ধনৰাজ আৰু মণিষা কে আৰু ঝাকো চেয়ি আৰু আলিশা খানৰ যুটিয়েও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

পাঞ্জাব কিংছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। পাঞ্জাবে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পাঞ্জাবৰ হৈ শশাংক সিঙে ২৯টা বলত ৬১ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  অধিনায়ক শুভমন গীলৰ অপৰাজিত ৮৯ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ'ভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে। পাঞ্জাবৰ হৈ কগিছ' ৰাবাডাই ২টা উইকেট দখল কৰে। শশাংশ সিঙক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ চাৰিগৰাকীকৈ খেললুৱৈয়ে ক্ৰ'ৱেছিয়াত অনুষ্ঠিত ডব্লিউ টি টি ফিডাৰ ৱৰ্জদিন টেবুল টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত কালি জি সাতিয়ানে জাৰ্মানীৰ ফেলিক্স ৰেটজেলক ৩-১ ফলাফলত পৰাজিত কৰাৰ বিপৰীতে স্নেহিড সূৰৱাজ্জুলাই কাজাখস্তানৰ সাঝাৰ যুবান'ভক ৩-০ আৰু হৰমিত দেশায়ে দক্ষিণ কোৰিয়াৰ চো কীজঙক ৩-১ ফলাফলত পৰাভূত কৰে। একেদৰে মহিলাৰ ছিংগলছত ভাৰতৰ যশস্বিনী ঘোৰপড়েই ক্ৰ'ৱেছিয়াৰ মাটেজা জেগৰক ৩-০ পোনপটীয়া গেমত পৰাজিত কৰে। জি সাতিয়ান আৰু মণিকা বাট্ৰাৰ ভাৰতীয় যুটিটো আজি মিক্সড ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত শ্লোভাকিয়াৰ লুবোমিৰ পিষ্টেজ আৰু বাৰবোৰা বালাজোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**